জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩০/২০২০

**মৈত্ৰী আঁচনিৰ অধীনত জাগীৰোড থানাৰ নৱনিৰ্মিত ভৱন মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে**

## আৰক্ষীয়ে এতিয়া সময়মতে অভিযোগনামা দাখিল কৰে ঃ মুখ্যমন্ত্ৰী

# পূৰ্বৰ চৰকাৰসমূহে আৰক্ষীৰ পৰা সেৱাহে বিচাৰিছিল, আৰক্ষী বিভাগৰ অসুবিধাক গুৰুত্ব দিয়া নাছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৪ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত জাগীৰোড আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰে। এই উপলক্ষে থানা চৌহদত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে আৰক্ষীৰ পৰা সেৱাহে বিচাৰিছিল, আৰক্ষীৰ অসুবিধাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা নাছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে মৈত্ৰী আঁচনিৰ অধীনত আধুনিক সা-সুবিধা সন্নিৱিষ্ট কৰি থানাসমূহ নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আৰক্ষী বিভাগে কৰ্মদক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। সাম্প্ৰতিক সময়ত আৰক্ষীয়ে অপৰাধীৰ বিৰুদ্ধে কম সময়ৰ ভিতৰতে অভিযোগনামা দাখিল কৰি বিচাৰ প্ৰক্ৰিয়া দ্ৰুত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বাবে বহু অপৰাধীৰ বিৰুদ্ধে শাস্তি প্ৰদান সম্ভৱ হৈ উঠিছে। অসম আৰক্ষীয়ে বিভিন্ন বিষয়ত উল্লেখযোগ্য সফলতা লাভ কৰিছে। দায়বদ্ধতা আৰু নিষ্ঠাৰে কামসমূহ সম্পাদন কৰাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে কেইবাগৰাকী আৰক্ষী বিষয়া-কৰ্মচাৰী দেশৰ সুৰক্ষাৰ বাবে আত্মবলিদান দি আদৰ্শ প্ৰতিষ্ঠা কৰিছে। আজি আৰক্ষীয়ে অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে সংকল্পবদ্ধ হৈছে। তেওঁ কয় যে অসম আৰক্ষীৰ দক্ষতাৰ বাবে আজি সমগ্ৰ দেশৰ ভিতৰতে প্ৰশংসিত হৈছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষা আৰু শান্তি শৃংখলা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে বৃহত্তৰ সমাজখনৰ প্ৰতি দায়বদ্ধতাৰে কাম কৰি আহিছে। আৰক্ষীয়ে জনসাধাৰণৰ মিত্ৰ হিচাপে কাম কৰিব লাগিব বুলিও তেওঁ কয়।

মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক ড° নন্দ সিং বৰবলাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা স্থানীয় বিধায়ক পীযুষ হাজৰিকা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিংঙেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা বিধায়ক ৰমাকান্ত দেউৰী, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, অসম আৰক্ষী গৃহ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, উচ্চপদস্থ আৰক্ষী বিষয়া, মৰিগাওঁ জিলাৰ উপায়ুক্ত প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক, বিশিষ্ট সাহিত্যিক ড° নন্দ সিং বৰবলাৰ 'খাকী পোছাকৰ দিনলিপি' গ্ৰন্থখন উন্মোচন কৰে।

**পুঃডেঃ**
**৪/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in